প্ৰেছ বিজ্ঞপ্তি
১৬ ফেব্ৰুৱাৰী, ২০১৭

**আৰ বি আইত বা কৰ্তৃত্বপ্ৰাপ্ত বেংক শাখাবোৰত আয়কৰ দেনা অগ্ৰিম প্ৰদান কৰক - মাৰ্চ, ২০১৭**

ভাৰতীয় ৰিজাৰ্ভ বেংকে আয়কৰ কৰদাতাসকলক দেয় তাৰিখৰ যথেষ্ট আগতে তেওঁলোকৰ আয়কৰ দেয়খিনি প্ৰেৰণ কৰিবলৈ আবেদন জনাইছে। লগতে এইটোও কৈছে যে কৰদাতাসকলে এজেন্সি বেংকবোৰৰ নিৰ্বাচিত শাখাসমূহ বা এই বেংকবোৰে আগবঢ়োৱা অন-লাইনযোগে কৰ প্ৰদান সুবিধাৰ দৰে বিকল্প চেনেলসমূহো ব্যৱহাৰ কৰিব পাৰে। ৰিজাৰ্ভ বেংক কাৰ্যালয়বোৰত দীঘলীয়া শাৰীত ঠিয় থকাত জড়িত অসুবিধাবোৰ এনে বিকল্প ব্যৱস্থাই নিবাৰণ কৰিব।

পৰিলক্ষিত হৈছে যে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ যোগেদি আয়কৰ দেয়তা প্ৰেৰণৰ বাবে হোৱা ভিৰ প্ৰতিবছৰে মাৰ্চৰ শেহলৈ অত্যন্ত বেছি হৈ পৰাত ৰছিদ জাৰিৰ চাপৰ সৈতে মোকাবিলা কৰাটো ৰিজাৰ্ভ বেংকৰ বাবে আহুকালজনক হৈ পৰে, যদিওবা ইয়াৰ জোৰা কৰাৰ কাৰণে পাৰ্যমানে সম্ভৱপৰ অতিৰিক্ত কাউন্টাৰ খোলা হয়।

দেয় আয়কৰৰ প্ৰদান গ্ৰহণ কৰিবলৈ নিম্নোক্ত উনত্ৰিশটা এজেন্সি বেংকক কৰ্তৃত্ব প্ৰদান কৰা হৈছেঃ

| | | | |
|---|---|---|---|
| ১ | এলাহাবাদ বেংক | ১৬ | চিণ্ডিকেট বেংক |
| ২ | অন্ধ্ৰ বেংক | ১৭ | ইউকো বেংক |
| ৩ | বেংক অব বৰোদা | ১৮ | ইউনিয়ন বেংক অব ইণ্ডিয়া |
| ৪ | বেংক অব ইণ্ডিয়া | ১৯ | ইউনাইটেড বেংক অব ইণ্ডিয়া |
| ৫ | বেংক অব মহাৰাষ্ট্ৰ | ২০ | বিজয়া বেংক |
| ৬ | কানাড়া বেংক | ২১ | ষ্টেট বেংক অব ইণ্ডিয়া |
| ৭ | চেন্ট্ৰেল বেংক অব ইণ্ডিয়া | ২২ | ষ্টেট বেংক অব বিকানেৰ এণ্ড জয়পুৰ |
| ৮ | কৰ্পোৰেশ্যন বেংক | ২৩ | ষ্টেট বেংক অব হায়দৰাবাদ |
| ৯ | ডেনা বেংক | ২৪ | ষ্টেট বেংক অব ট্ৰাভাংকোৰ |
| ১০ | আই ডি বি আই বেংক | ২৫ | ষ্টেট বেংক অব মাইসোৰ |
| ১১ | ইণ্ডিয়ান বেংক | ২৬ | ষ্টেট বেংক অব পাটিয়ালা |
| ১২ | ইণ্ডিয়ান অভাৰচীজ বেংক | ২৭ | এইছ ডি এফ চি বেংক লিমিটেড |
| ১৩ | অ'ৰিয়েন্টেল বেংক অব কমাৰ্চ | ২৮ | এক্সিছ বেংক লিমিটেড |
| ১৪ | পঞ্জাৱ এণ্ড সিন্ধ বেংক | ২৯ | আই চি আই চি আই বেংক লিঃ |
| ১৫ | পঞ্জাৱ নেশ্যনেল বেংক | | |

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তিঃ ২০১৬-২০১৭/২২০৮**